| | | | |
|---|---|---|---|
| <?xml version="1.0" ?> | | | |
| <?xml-stylesheet type="text/css" href="home.css"?> | | | |
| <Doc id="ass-w-media- | AS00107 | " | lang="Assamese"> |
| <Header type="text"> | | | |
| <encodingDesc> | | | |
| <projectDesc> | CIIL- Assamese Corpora, Monolingual Written Text | | </projectDesc> |
| <samplingDesc> | Simple written text only has been transcribed. Diagrams, pictures, tables and verses have been omitted. Samples taken from page 4-5, 10-11, 14-15, 20-21, 24-25-26-27, 30-31, 34-35-36-37, 40-41, 44- 45, 50-51, 54-55-56-57, 60-61, 64-65, 70-71, 75-76-77, 80 | | </samplingDesc> |
| </encodingDesc> | | | |
| <sourceDesc><biblStruct> <source> | | J.B. College Library | |
| | <category> | Aesthetics | </category> |
| | <subcategory> | Literature-Essays | </subcategory> |
| | <text> | Book | </text> |
| | <title> | asamI Aira ukti | </title> |
| | <vol> | | </vol> |
| | <issue> | | </issue> |
| </source> | | | |
| <textDes> | | | |
| | <type> | | </type> |
| | <headline> | | </headline> |
| | <author> | bhubana mohana dAsa | </author> |
| | <words> | 3425 | </words> |
| </textDes> | | | |
| <imprint> | | | |
| | <pubPlace> | Guwahati-Panbazar | </pubPlace> |
| | <publisher> | laYArcha buka STala | </publisher> |
| | <pubDate> | 1993 | </pubDate> |
| </imprint> | | | |
| <idno type="CIIL code"> | | | </idno> |
| <index> | | AS00107 | </index> |
| </biblStruct></sourceDesc> | | | |
| <profileDesc><creation> | | | |
| | <date> | 25-Feb-2009 | </date> |
| | <inputter> | Rina Sarkar | </inputter> |
| | <proof> | Chuchen Dutta | </proof> |
| </creation> | | | |
| <langUsage> | | Assamese | </langUsage> |
| <wsdUsage> | | | |

| | | |
|---|---|---|
| <writingSystem id="ISO/IEC 10646">Universal Multiple-Octet Coded Character Set (UCS).</writingSystem> | | |
| </wsdUsage> | | |
| <textClass> | | |
| <channel mode="w"> | print | </channel> |
| <domain type="public"> | | </domain> |
| </textClass></profileDesc></Header> | | |
| <text><body> | | |
| <p> | একে মাকৰ সকলোবোৰ ল’ৰা ছোৱালী একে ধৰণৰ বা প্ৰকৃতিৰ নহয়। আৱয়বিক ৰূপ, মানসিক চৰিত্ৰ, আচাৰ-ব্যৱহাৰ আদিত বহুতো প্ৰকাৰৰ বিভিন্নতা দেখা যায়। তথাপি সকলো, একে মাতৃৰ সন্তান। প্ৰত্যেকটো সন্তানৰে বেলেগ নাম থাকে; কিন্তু উপাধি একেটাই। ৰাভা, কছাৰী, তিৱা, মিছিং, কাৰ্বি, অসমীয়া আদি মাতৃৰ বিভিন্ন সন্তানৰ বিভিন্ন নাম। কিন্তু সকলোৰে উপাধি অসমীয়া। এওঁলোক থাকেও একে ঠাইতে। | </p> |
| <p> | মোৰ কোলাত মোৰ এই সন্তানসকলৰ উপৰিও আন বহুতো ধৰণৰ মানুহে বাস কৰে। তেওঁলোকৰ বহুতেই মোৰ দুগ্ধ পান কৰি মোৰ ইয়াতেই ডাঙৰ-দীঘল হৈছে। কিন্তু তেওঁলোক মোৰ সন্তান নহয়। কিয়নো তেওঁলোকে মোক মাতৃ বুলি স্বীকাৰ কৰি লোৱা নাই। মাতৃৰ নাম সুধিলে কোনোৱে কয় ৰাজস্থান, কোনোৱে কয় বংগ, কোনোৱে কয় পঞ্জাৱ, আদি। এইদৰে তেওঁলোকৰ প্ৰত্যেকৰে নিজৰ নিজৰ একোজনীকৈ মাতৃ আছে। মই ধাই-মাতৃ যেনহে। তদুপৰি তেওঁলোকৰ ভাই-ভনীবোৰ নিজৰ নিজৰ ৰাজ্যত আছে। মোৰ ইয়াত নিগাজীকৈ থাকিবলৈ ল’লেও নিজৰ মাতৃ আৰু ভাই-ভনীৰ লগত সম্বন্ধ এৰা নাই। গতিকে এনে অৱস্থাত তেওঁলোকক মোৰ নিজৰ সন্তান নহয় বুলি ক’লে নিশ্চয় কোনোৱে মোক দোষাৰোপ কৰিব নোৱাৰিব। অৱশ্যে মই এইটো অস্বীকাৰ নকৰো যে তেওঁলোকৰ ভিতৰৰ কিছুমানে মোক মাতৃ বুলি মানি লৈছে। তেওঁলোকৰ সংখ্যা বৰ বেছি নহয়। মই সেইসকলক মোৰ সন্তান বুলি গ্ৰহণ কৰিছো আৰু মোৰ অসমীয়া উপাধিটো ব্যৱহাৰ কৰাৰ | </p> |

| | | |
|---|---|---|
| | অধিকাৰ দিছো। আনকি, বিদেশ নেপালৰ পৰা অহা বহুতো নেপালী লোক তেনেকৈ মোৰ সন্তান হৈ অসমীয়া হৈ পৰিছে। তেওঁলোকো মোৰ বৰ মৰমৰ। | |
| <p> | বিশ্বামিত্ৰৰ পিতামহৰ নাম অমুৰ্তৰাজ। ৰামায়ণৰ আদিকাণ্ডত পোৱা যায় যে এই অমুৰ্তৰাজেই হ'ল প্ৰাগজ্যোতিষ ৰাজ্যৰ প্ৰতিষ্ঠাতা। বিশ্বামিত্ৰই কৌশিক বা কোশী নদীৰ পাৰত বহি তপস্যা কৰিছিল। যদি তেওঁ নিজৰ পিতামহৰ ৰাজ্যৰ ভিতৰত তপস্যা কৰিছিল বুলি ধৰি লোৱা হয়, তেন্তে বিহাৰৰ পূৰ্ণিয়া জিলাৰ কোশী নদীলৈকে মোৰ বিস্তাৰ আছিল। মহাভাৰত পঢ়িলে জনা যায় যে প্ৰাচীন কালত মোৰ সীমা পশ্চিমে কৰতোৱা নদী আৰু দক্ষিণে বঙ্গোপসাগৰলৈ বিস্তৃত আছিল। | </p> |
| <p> | একালত মোৰ ইয়াত মহীৰংগ নামৰ এজন কিৰাত ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ পিচত ক্ৰমে হতকাসুৰ, সম্বৰাসুৰ আৰু ৰত্নাসুৰ ৰজা হয়। ৰত্নাসুৰৰ পিচত ঘটকাসুৰ ৰাজপাটত বহে। ঘটকাসুৰক নৰক বা নৰকাসুৰে পৰাস্ত কৰি প্ৰাগজ্যোতিষপুৰত ৰাজধানী পাতে। এওঁৰ ৰাজ্যৰ সীমা আছিল পশ্চিমে কৰতোৱা আৰু পূবে দিক্‌ৰঙ। কালিকাপুৰাণ মতে নৰক বৰাহ পুত্ৰ। তেওঁ বিদেহৰ (এতিয়াৰ উত্তৰ বিহাৰ) ৰজা জনকৰ পালিত পুত্ৰ। এই নৰকৰেই পুত্ৰ ভগদত্ত, যিজন ৰজাই কুৰুক্ষেত্ৰ সমৰত কৌৰৱৰ পক্ষ লৈ যুজিছিল। সম্ভৱতঃ আগতে এবাৰ তেওঁ অৰ্জুনৰ হাতত পৰাস্ত হৈছিল বাবেই কৌৰৱৰ লগ লৈছিল। অন্য কাৰণো থাকিব পাৰে। ভগদত্তক পূৰ্বসাগৰবাসী, শৈলাশয়ৰাজ, পৰ্বতপতি আদি নামেৰে চিনাকি দিয়া হৈছে। | </p> |
| <p> | এই প্ৰসংগত মই অসমীয়া ভাষাৰ বিষয়েও চমুকৈ ক'ব খোজো। অসমীয়া এটা ইন্দো-আৰ্য্য ভাষা। ইয়াৰ গুৰি সংস্কৃত ভাষাত বিচাৰি পোৱা যায়। বৰ্তমানৰ অসমীয়া ভাষাই কামৰূপী-প্ৰাকৃত, অপভ্ৰংশ আদি | </p> |

| | | |
|---|---|---|
| | বিভিন্ন স্তৰৰ মাজেৰে আহি আজিৰ ৰূপ পালে। এই ভাষাৰ বৃদ্ধি আৰু বিকাশৰ ক্ষেত্ৰত অন্যান্য ভাষা, যেনে অষ্ট্ৰিক, দ্ৰাবিড়, তিব্বত-বৰ্মী আদিয়ে বিশেষভাৱে অৰিহণা যোগাইছে। আৰবী, পাৰ্চি, ইংৰাজী আদি ভাষাৰ শব্দৰেও এই ভাষাই পৰিপুষ্টি লাভ কৰিছে। সময়ে সময়ে ভাষা গঠনৰো পৰিবৰ্তন হৈছে। | |
| <p> | বৰ্তমানৰ অসমীয়া ভাষা গঠনৰ আৰম্ভণি দশম-একাদশ শতিকাত বুলি কোৱা হয়। ইয়াৰ পিচৰ দুই শতিকাত শতিকাত অসমীয়া ভাষা পূৰ্ণাংগ ৰূপ পোৱাৰ পথত আগবাঢ়ে। দশম শতিকাৰ আগলৈকে সংস্কৃত ভাষা ৰাজ-ভাষা স্বৰূপ আছিল। জনসাধাৰণৰ ভাষা আছিল প্ৰাকৃত। জনজাতীয় লোকসকলে নিজৰ নিজৰ ভাষা কৈছিল। | </p> |
| <p> | খৃষ্টপূৰ্ব কেই শতিকামান আগৰে পৰা আৰ্য্য ভাষা-ভাষী লোক মোৰ ইয়ালৈ আহিবলৈ আৰম্ভ কৰিলে। তেওঁলোকৰ সংখ্যা প্ৰথমে তেনেই কম আছিল যদিও তেওঁলোকৰ ভাষা আৰু সংস্কৃতিয়ে থলুৱা মানুহৰ ওপৰত মনকৰিবলগীয়া ধৰণে প্ৰভাৱ পেলালে। বৈদিক সংস্কৃতিৰ প্ৰসাৰৰ লগে লগে আৰ্য্য সম্ভূত ভাষা মোৰ ইয়াত প্ৰধান ভাষা হৈ পৰিল। আগতে কৈ অহাৰ দৰে এই আৰ্য্য ভাষা স্থানীয় ভাষাৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱান্বিত হ'ল। ফলস্বৰূপে মোৰ ইয়াত এক নতুন প্ৰকাৰৰ আৰ্য্য ভাষাই পাতনি মেলিলে। এয়েই অসমীয়া ভাষাৰ আৰম্ভণি। অসমীয়া ভাষা ৰাজ-ভাষা স্বৰূপ, লগতে জনসাধাৰণৰ ভাষা হ'বলৈ ধৰাৰ লগে লগে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াও আৰম্ভ হ'ল বুলি কব পাৰি। | </p> |
| <p> | মানুহৰ জৈৱিক অৱশেষ পোৱা নাই সঁচা, কিন্তু প্ৰাক-ঐতিহাসিক যুগৰ সাংস্কৃতিক নিদৰ্শন বহুতো আছে। সেইবোৰ মানুহে গঢ় দিয়া নানাবিধ প্ৰস্তৰ সঁজুলি। মোৰ গাতে লাগি থকা উত্তৰ-পূব ভাৰতৰ অন্য ৰাজ্য কেইখনমানৰ পৰাও নানান ধৰণৰ প্ৰস্তৰ সঁজুলি পোৱা গৈছে। | </p> |
| <p> | মোৰ এজনী ভনী মেঘালয়ৰ গাৰোপাহাৰৰ গৰ্ভৰ পৰা সংগৃহীত প্ৰস্তৰ | </p> |

| | | |
|---|---|---|
| | সঁজুলিবোৰৰ কিছুমানক প্ৰত্নপ্ৰস্তৰ যুগৰ তিনিটা ভাগত সজাব পাৰি। প্ৰথম, আদি প্ৰত্নপ্ৰস্তৰ কাল। হস্তকুঠাৰ, ভেদক, ঘাপনি আৰু শিলগুটিৰ সঁজুলি এই ভাগত পৰে। মধ্য প্ৰত্নপ্ৰস্তৰ যুগৰ নিদৰ্শন হ’ল চলি-সঁজুলি উদ্যোগ আৰু শেষ প্ৰত্নপ্ৰস্তৰ যুগৰ প্ৰতিনিধিত্ব কৰিছে ফলক-সঁজুলি উদ্যোগে। | |
| <p> | প্ৰত্নপ্ৰস্তৰ যুগৰ পিছত আৰম্ভ হ’ল মধ্যপ্ৰস্তৰ যুগ। এই যুগৰ নিদৰ্শন ক্ষুদ্ৰ শিলা-সঁজুলিও পোৱা গৈছে। এই সংস্কৃতিক হোৱাবিনহিয়ান সংস্কৃতিও বোলা হয়। ইয়াৰ পিছৰ যুগটো নৱ-প্ৰস্তৰ যুগ। এই যুগৰ নানান ধৰণৰ সংজুলি বিভিন্ন ঠাইৰ পৰা সংগ্ৰহ কৰা হৈছে। সেইবোৰৰ ভিতৰত ছেল্ট, স্কন্ধ ছেল্ট, চতুষ্কোণী কুঠাৰ, চাঁচ আগিৰ নাম ল’ব পাৰি। তদুপৰি এক বিশেষ প্ৰকাৰৰ মৃৎপাত্ৰ পোৱা গৈছে। | </p> |
| <p> | এনেবোৰ বিভিন্ন সঁজুলিয়ে প্ৰমাণ কৰে যে সেইবোৰ সংস্কৃতিৰ সময়ৰ মানুহ মোৰ ইয়াতো আছিল। কোন মানুহ, কোন প্ৰকাৰৰ মানুহ সেইবোৰ মই নাজানো। | </p> |
| <p> | কিছুমান আবয়বিক লক্ষণৰ ওপৰত ভিত্তি কৰি ভাৰতীয়ৰ মাজত নেগ্ৰিটোৰ উপস্থিতিৰ কথা কোৱা হৈছে। এনেবোৰ লক্ষণৰ ভিতৰত চুলিৰ আকৃতিৰ ওপৰত সবাতকৈ বেচি প্ৰাধান্য দিয়া হৈছে। নেগ্ৰিটোক আদিম অধিবাসী বোলা সকলে উদাহৰণ স্বৰূপে ৰাজ মহল পাহাৰৰ মালে, কেৰালাৰ কাদাৰ আৰু নগাপাহাৰৰ আংগামী নগাসকললৈ আঙুলিয়াই কৈছে যে এইসকল লোকৰ মাজত নেগ্ৰিটো ধৰণৰ কেশ বা চুলি দেখিবলৈ পোৱা যায়। সকলো মানুহৰ মাজতেই নহয়; কিছুমান মানুহৰ মাজত। কেইজনমান মানুহৰ মাজত তেনে ধৰণৰ চুলি দেখিলেই তাত নেগ্ৰিটো প্ৰজাতীয় উপাদান থকা বুলি কোৱাটো যুক্তিসংগত নে? বোধকৰো নহয়। কিয়নো সাম্প্ৰতিক কালত বিভিন্ন ঠাইত এনে ধৰণৰ নেগ্ৰিটো চুলিৰ ব্যাখ্যা উৎপৰিবৰ্তনৰ জৰিয়তে দিব পাৰি। নৰৱেৰ এটা | </p> |

| | | |
|---|---|---|
| | পৰিয়ালত উলকেশী লোকৰ জন্ম হ’ল। লাহে লাহে সেই পৰিয়ালত উলকেশী লোকৰ সংখ্যা বাঢ়ি আহিল। কাৰণ উলকেশী এটা প্ৰভাৱী চৰিত্ৰ। বিচাৰ কৰি চোৱা হ’ল যে উলকেশী লক্ষণযুক্ত আন কোনো প্ৰজাতিৰ লোকৰ লগত নৰৱেৰ সেই পৰিয়ালটোৰ কাৰোবাৰ যৌনমিলন সম্ভাৱনা আছে নেকি? তেনে কোনো সম্ভাৱনা দেখা নগ’ল। গতিকে সেই উলকেশী চৰিত্ৰ অন্য কোনো প্ৰজাতিৰ অৱদান হ’ব নোৱাৰে। উৎপৰিবৰ্তন যোগে সেই উলকেশৰ ব্যাখ্যা দিয়া হ’ল। | |
| <p> | নেগ্ৰিটোক ভাৰতৰ এটা প্ৰাচীনতম প্ৰজাতি বুলি মানি লোৱাৰ বিপক্ষে সৰকাৰ প্ৰমুখ্যে কেইবাগৰাকী নৃতাত্বিকে যুক্তিসহ দাঙি ধৰা মতামতৰ বিষয়ে আগতেই কৈ অহা হৈছে। ময়ো তেওঁলোকৰ লগত একমত। কাৰণ নেগ্ৰিটো মোৰ ইয়ালৈ অহাৰ কথা মই কোনোৰকমেই মনত পেলাব পৰা নাই আৰু মোৰ সন্তানসকলৰ মাজত তেনে কোনো নেগ্ৰিটো লক্ষণ দেখা নাই। আৰু এটা কথা আছে। নেগ্ৰিটোৰ আৱয়বিক চৰিত্ৰৰ বৰ্ণনা আগতে দি আহিছো। গুহ, মিলছ, আদিয়ে অকল চুলিৰ কথাহে কয়। অন্যবোৰ চৰিত্ৰ সম্বন্ধে নিমাত কিয়? নগাৰ মূৰ ক্ষুদ্ৰাকৃতিৰ আৰু প্ৰশস্তমস্তকী নেকি? নগাৰ মাজত অন্যবোৰ চৰিত্ৰ দেখা যায় নেকি? কাদাৰৰ ক্ষেত্ৰতো এনে প্ৰশ্ন কৰিব পাৰি। তেওঁলোকে এই বিষয়ে একোকে ক’ব নোখোজে। ১৯৫৮ চনত এজন ফৰাচী নৃতাত্বিকে কৈছে যে তেওঁলোকে অধ্যয়ন কৰা কোনো নগালোকৰ মাজতেই কোনো ধৰণৰ নেগ্ৰিটৌ উপাদান দেখা নাযায়। গতিকে নেগ্ৰিটোসকলক ইয়াতেই এৰিলো। | </p> |
| <p> | যদিও মই বহুত কথাই পাহৰিছো, তথাপি মোৰ ৰিণিকি ৰিণিকি মনত পৰে মোৰ কোলালৈ প্ৰথম অহা মানুহবোৰ। যেন দেখাত এনেকুৱা আছিল : তেওঁলোক চুটি চাপৰ, গড় উচ্চতা প্ৰায় ১৫৭ চেন্টিমিটাৰ মান হ’ব। শৰীৰৰ অংগ প্ৰত্যঙ্গবোৰ যেন বৰ পৰিপুষ্ট নহয়। অৰ্থাৎ কৃশতনু বুলি ক’ব পাৰি। গাৰ বৰণ গাঢ় পিংগলৰ পৰা প্ৰায় ক’লা। চুলিৰ ৰং | </p> |

| | | |
|---|---|---|
| | ক'লা। চুলিৰ আকৃতি তৰংগায়িত বা বক্ৰ। মুখমণ্ডল খৰ্ব আৰু ঠেক। মুখখন মধ্যমীয়া ধৰণে সমুখলৈ আগবঢ়া। ওঁঠ ডাঠ বুলিয়েই ক'ব পাৰি। থুতৰি ক্ষীণ। নাক বৰ বহল অৰ্থাৎ প্ৰশস্তনাসিকী। নাকৰ গুৰি বৰ দ। কপাল পিচলৈ এঢলীয়া। চকুৰ ওপৰ অংশৰ হাড় চকুত পৰা ধৰণে বেচ মোটা। তেওঁলোক দীৰ্ঘমস্তকী অৰ্থাৎ মূৰ দীঘলীয়া। | |
| <p> | আদি প্ৰত্নপ্ৰস্তৰ যুগৰ একেবাৰে শেহভাগত আৰু মধ্য প্ৰত্নপ্ৰস্তৰ যুগত নিয়ানদাৰথেল নামৰ একপ্ৰকাৰ লোক পৃথিবীত বাস কৰিছিল। ছ'লাচ আৰু ফন লুচানৰ মতে এই নিয়ানদাৰথেল মানৱ অষ্ট্ৰেলীয় প্ৰজাতিৰ পূৰ্বপুৰুষ। আনহাতে, কীথৰ মতে অষ্ট্ৰেলীয় মানৱৰ আদি প্ৰকাৰ এটাহে। নিয়ানদাৰথেলৰ উত্তৰপুৰুষ নহয়। হাউৱেলছে অষ্ট্ৰেলীয়াৰ নৃদেহমাপতাত্বিক চৰিত্ৰবোৰ অধ্যয়ন কৰি এই সিদ্ধান্তত উপনীত হৈছে যে জীৱিত প্ৰজাতিবোৰৰ ভিতৰত অষ্ট্ৰেলীয় প্ৰাচীনতম আৰু ই এটা মুখ্য মানৱ প্ৰজাতি। গেইটছে আকৌ জাভাৰ পিথেক্যানথ্ৰপাছৰ মাজত অষ্ট্ৰেলীয়ৰ পূৰ্বপুৰুষক বিচাৰি পাইছে। | </p> |
| <p> | আনহাতে শেষ প্ৰত্নপ্ৰস্তৰ যুগৰ এটা ভাগ অৰিকনেকিয়ান কালৰ কালৰ গ্ৰিমলডি বোলা এবিধ জীৱাশ্ম মানৱৰ মাজতহে পোণ প্ৰথম নিগ্ৰো লক্ষণ দেখা যায়। ইয়াৰপৰা নিয়ানদাৰথেলৰ আবিৰ্ভাব গ্ৰিমলডিতকৈ বহুত আগতেই হৈছিল বুলি নিঃসন্দেহে ক'ব পৰা যায়। গতিকে অষ্ট্ৰেলীয়, নিগ্ৰো বা নেগ্ৰিটোতকৈ পুৰণি প্ৰজাতি। | </p> |
| <p> | আন এটা দৃষ্টিকোণৰ পৰাও এই বিষয়ে বিচাৰ কৰি চোৱা হৈছে। নিগ্ৰোৰ এটা প্ৰধান বিশিষ্ট্য উলকেশ। ফিছাৰৰ গৱেষণাৰপৰা জনা যায় যে উৎপৰিবৰ্তনৰ ফলত তৰংগায়িত কেশৰপৰা উলকেশৰ উৎপত্তি হৈছে। গতিকে তৰংগায়িত কেশযুক্ত লোকৰ আবিৰ্ভাৱ উলকশী লোকতকৈ আগতে হোৱা বুলি ভাবিবৰ থল আছে। ইয়াৰ ওপৰত ভিত্তি কৰিও অষ্ট্ৰেলীয়ক নিগ্ৰোতকৈ আগত স্থান দিব পাৰি। | </p> |

| | | |
|---|---|---|
| <p> | অষ্ট্ৰেলীয়সকলে হাতেৰে মাটিৰ পাত্ৰ গঢ়িছিল। চাকৰ ব্যৱহাৰ নাজানিছিল। তেওঁলোকে কৰে কি, সৰু পাচি বা খৰাহীৰ নিচিনা এটা কৰি তাৰ ভিতৰ ভাগত ডাঠকৈ মাটিৰ প্ৰলেপ দিয়ে। তাৰ পিচত সেইটো জুইত পোৰে। জুয়ে খৰাহীটো পুৰি পেলায়। তেতিয়া মাটিৰ পাত্ৰ এটা পোৱা যায়। দাক্ষিণাত্যত বাস কৰা ইৰুলা নামৰ অষ্ট্ৰেলীয় জনজাতি এটাই বুমেৰাং নামৰ চিকাৰৰ সঁজুলি এবিধ ব্যৱহাৰ কৰে। অষ্ট্ৰেলীয়াৰ আদিবাসীৰ মাজতো এই বিধৰ প্ৰচলন আছে। ইয়াৰ দ্বাৰা চৰাই চিৰিকতি, সৰু জীৱজন্তু আদি মাৰিব পাৰি। সম্ভৱতঃ এইপাত অস্ত্ৰ অষ্ট্ৰেলীয়াৰ দ্বাৰা বহুলভাৱে ব্যৱহৃত হৈছিল। তেওঁলোকে ধনু-কাড় ব্যৱহাৰ নকৰিছিল। | </p> |
| <p> | অষ্ট্ৰেলীয়ৰ ধৰ্মীয় বিশ্বাস, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি আদিয়ে জীৱবাদ আৰু পূৰ্বপুৰুষৰ পূজাক কেন্দ্ৰ কৰি গঢ় লৈছিল। আসুৰিক চিকিৎসকে তেওঁলোকৰ মাজত এক বিশেষ স্থান অধিকাৰ কৰিছিল। জীৱ, গছ, বা আনকোনো প্ৰাকৃতিক বস্তুৰপৰা গোত্ৰৰ উত্পত্তি হোৱা বুলি তেওঁলোকে বিশ্বাস কৰিছিল। দীক্ষা-সংস্কাৰ তেওঁলোকৰ সামাজিক-সাংস্কৃতিক জীৱনৰ এটা প্ৰধান অংগ। অষ্ট্ৰেলীয়াৰ আদিবাসীসকলে দীক্ষা-সংস্কাৰৰ সময়ত দাঁতবোৰ ঘঁহি ঘঁহি সৰু আৰু জোঙা কৰি লৈছিল। কেৰালাত বাসকৰা অষ্ট্ৰেলিয়া প্ৰজাতিৰ কাদাৰ জনজাতিৰ মাজত এতিয়াও এনে প্ৰথা প্ৰচলিত আছে। মোৰ ইয়ালৈ অহা অষ্ট্ৰেলীয়বোৰেও এনে কৰিছিল যদি মই নাজানো। | </p> |
| <p> | খাছীয়াসকলৰ কথা ওলাল যেতিয়া তেওঁলোকৰ বিষয়ে দুষাৰমান ক'লে নিশ্চয় অপ্ৰাসংগিক নহব। খাছীয়াসকলে অষ্ট্ৰিক ভাষা কয় আৰু সেই ভাষাৰ সম্বন্ধে অষ্ট্ৰেলীয়ৰ লগত, কিন্তু খাছীয়াৰ মাজত স্পষ্ট মংগোলীয় প্ৰজাতীয় লক্ষণ বিদ্যমান। স্বাভাৱিকতেই মনলৈ আহে মংগোলীয় | </p> |

| | | |
|---|---|---|
| | খাছীয়াসকলে এই অষ্ট্ৰিক ভাষা ক’ত, কেনেকৈ আৰু কেতিয়া শিকিলে। চেটাৰ্জীয়ে ইয়াৰ ব্যাখ্যা দিবলৈ চেষ্টা কৰিছে। এই মংগোলীয়সকল উত্তৰ পূব কোণেৰে তেওঁলোকৰ বৰ্তমান বাসস্থানলৈ আহে। তেওঁলোক অহাৰ আগতে সেই অঞ্চলত অষ্ট্ৰেলীয় লোকে বসবাস কৰিছিল। সেইবোৰ মানুহৰ ভাষা আছিল অষ্ট্ৰো-এছীয় পৰিয়ালৰ। খাছীয়াসকল ইয়ালৈ আহি সেই ভাষা গ্ৰহণ কৰিলে। হয়তো এনেকুৱাও হ’ব পাৰে যে ইয়ালৈ অহাৰ পথত ব্ৰহ্মদেশৰ উত্তৰাংশত থকাৰ সময়ত তাতেই অষ্টো এছীয় ভাষা শিকিলে আৰু সেই ভাষাক লৈ বৰ্তমানৰ স্থানত প্ৰৱেশ কৰিলে। এতিয়া খাছীয়াসকল তিব্বত-বৰ্মী ভাষাভাষী লোকৰ দ্বাৰা পৰিবেষ্টিত হৈ আছে যদিও তেওঁলোকে সেই অষ্ট্ৰিক ভাষাকেই সংৰক্ষণ কৰি আছে। এনে স্থলত তিব্বত বৰ্মী ভাষী লোক ইয়ালৈ অহাৰ আগতেই খাছীয়া সকল আহিব লাগিব। তেওঁলোকে তেওঁলোকৰ আগতে অহা সকলোবোৰ অষ্ট্ৰেলীয়কে সাঙুৰি ল’ব পৰা নাছিল। সেইবাবে তিব্বত-বৰ্মীভাষী লোকৰ মাজত অষ্ট্ৰেলীয় প্ৰজাতীয় উপাদান চকুত পৰে। | |
| <p> | এনেকুৱাও হ’ব পাৰে নেকি? খাছীয়াসকল প্ৰকৃততে অষ্ট্ৰেলীয়। পিচত অহা মংগোলীয়ৰ লগত তেওঁলোক সম্পূৰ্ণৰূপে মিহলি হৈ গ’ল। এই নতুন জনগোটটোৱে অষ্ট্ৰিক ভাষা সংৰক্ষণ কৰিলে। কিন্তু আৱয়বিক বৈশিষ্ট্যত মংগোলীয় লক্ষণসমূহ প্ৰকট হৈ তেওঁলোকক মংগোলীয় জনগোট এটাত পৰিণত কৰিলে। | </p> |
| <p> | আগতেই কৈ আহিছো যে জৈৱিক চৰিত্ৰ বৈচিত্ৰ সৃষ্টিকাৰী চাৰিটা মুখ্য জৈৱিক কাৰকক প্‌ৰব্ৰজন, একাকীকৰণ আদি প্ৰক্ৰিয়াই ইন্ধন যোগায়। প্ৰব্ৰজনৰ ফলত মানুহৰ পৰিবেশৰ পৰিবৰ্তন হয়। এই পৰিবেশ প্ৰাকৃতিক হ’ব পাৰে বা মানৱ-সৃষ্টও হ’ব পাৰে। বিভিন্ন পৰিৱেশত নিৰ্বাচনে বিভিন্ন ধৰণে ক্ৰিয়া কৰে। প্ৰব্ৰজনে নানা প্ৰকাৰ লোকক একে ঠাইলৈ | </p> |

| | | |
|---|---|---|
| | আনি একেলগে থকাৰ সুযোগ দিয়ে। ফলত নানান কাৰণত জনগোটসমূহৰ মাজত বৈবাহিক সম্বন্ধ স্থাপিত হৈ ইটোৱে সিটোৰ পৰা জৈৱিক চৰিত্ৰ আহৰণ কৰাত পূৰ্বৰ বৈশিষ্ট্যৰ সালসলনি ঘটে। আকৌ, প্ৰব্ৰজনে কেতিয়াবা মূখ্য গোটটোৰপৰা এটা ভাগক অন্য ঠাইলৈ লৈ গৈ সেই ভাগক মূল ভাগৰপৰা পৃথক কৰি পেলায় আৰু ইয়াৰ ফলত নানা তৰহৰ প্ৰক্ৰিয়াযোগে বেলেগ বেলেগ বৈশিষ্টপূৰ্ণ দুটা গোটৰ সৃষ্টি হয়। | |
| <p> | ভূমধ্যসাগৰীয় আৰু ইন্দো-দ্ৰাবিড়ৰ কথা ওলোৱাত এই সন্দৰ্ভত এটা কথা মোৰ মনত পৰিছে। কথাটো কৈছিল কীথ নামৰ নৃতাত্বিক এগৰাকীয়ে। তেওঁৰ কথাত সমৰ্থন জনাইছিল সৰকাৰে। কথাটো এনেকুৱা। কোৱা হয় যে ইন্দো-দ্ৰাবিড়ৰ আদি বাসস্থান ভূমধ্যসাগৰৰ পূৰ্বাঞ্চল আৰু তাৰপৰা তেওঁলোকে প্ৰব্ৰজন কৰি উত্তৰ পশ্চিম দিশেৰে ভাৰতবৰ্ষত প্ৰৱেশ কৰে। কীথে আন এটা সম্ভাৱনাৰ প্ৰতি ভাৰতীয় নৃতাত্বিকসকলৰ দৃষ্টি আকৰ্ষণ কৰিছে। সদায়ে সকলোৱে বাহিৰৰ পৰা বিভিন্ন বিধ লোক সময়ে সময়ে ভাৰতবৰ্ষলৈ অহাৰ কথা কয়। কীথৰ প্ৰশ্ন হ'ল ভাৰততো কোনো প্ৰজাতীয় প্ৰকাৰৰ উৎপত্তিৰ সম্ভৱনাৰ বিষয়ে ভাবিব নোৱাৰি জানো। | </p> |
| <p> | হেডনে এছিয়াৰ অধিবাসীক দুটা প্ৰধান ভাগত ভাগ কৰিছে। এটাৰ নাম শ্বেতচৰ্মী এছীয় আৰু আনটোৰ নাম পীতচৰ্মী এছীয়। মস্তকাকৃতিৰ ওপৰত ভিত্তি কৰি পীতচৰ্মী এছীয়ৰ তিনিটা ভাগ কৰিছে, যেনে, মধ্যমন্তকী, প্ৰশস্ত-মধ্য মস্তকী আৰু প্ৰশস্তমস্তকী। প্ৰত্যেকটোৱেই আকৌ কিছুমান উপভাগত বিভক্ত। মধ্যমস্তকীৰ এটা উপভাগৰ নাম দিছে প্ৰ'টোমৰফাছ। হেডনে মোৰ মংগোলীয় সন্তান, যেনে, কছাৰী, মিছিং, কাৰ্বি, ৰাভা, তিৱা আদিক এই ভাগত পেলাইছে। তেওঁৰ মতে এই প্ৰকাৰটোৰ বিস্তাৰ প্ৰধানকৈ আমাৰ সাতভনীৰ (অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা, অৰুণাচল আৰু মণিপুৰ) মাজত আৰু | </p> |

| | | |
|---|---|---|
| | দক্ষিণ চীনদেশত সীমাৱদ্ধ। এই গোটৰ মানুহৰ শ্বেতচৰ্মী এছীয় লোকৰ লগত সাদৃশ্য বিশেষভাৱে মন কৰিবলগীয়া। অৰ্থাৎ স্থান বিশেষে তেওঁলোক অন্য লোকৰ লগত বহু পৰিমাণে মিশ্ৰিত হৈ পৰিছে। সেয়েহে মই সাধাৰণভাৱে দিয়া মংগোলীয়ৰ বৰ্ণনা স্থান আৰু জনগোট ভেদে তেওঁলোকৰ লগত নিমিলিবও পাৰে। | |
| <p> | মোৰ মংগোলীয় সন্তানসকলৰ মাজত জৈৱিক চৰিত্ৰ, সংস্কৃতি, আদি ক্ষেত্ৰত কিছুমান পাৰ্থক্য আছে। তথাপিও তেওঁলোকে কোৱা ভাষাবোৰ একগোট কৰি ভাষাগতভাৱে তেওঁলোকক এটা পৰিয়ালৰ অন্তৰ্গত কৰিব পাৰি। সেই ভাষিক পৰিয়ালটোৰ নাম তিব্বত-বৰ্মী। (ফাকিয়াল, খাময়াং, তুৰুং আদি টাইভাষী মংগোলীয় সকলক এইগোটত সাঙোৰা নাই।) | </p> |
| <p> | প্ৰাগৈতিহাসিক আৰু প্ৰাচীন কালৰপৰা উদ্ধাৰিত নানান নৰকংকালৰ অৱশেষবোৰে অতীজৰে পৰা ভাৰতীয় লোকৰ মাজত থকা বিভিন্ন প্ৰজাতীয় উপাদানৰ সাক্ষী বহন কৰে। উদাহৰণ স্বৰূপে মহেঞ্জোদাৰো আৰু হৰপ্পাৰ পৰা সংগৃহীত নৰকংকালৰ অৱশেষবোৰ বিচাৰ কৰি চালে দেখা যায় যে তাত সেইসময়ত চাৰিটা প্ৰধান প্ৰজাতীয় প্ৰকাৰ আছিল। এক প্ৰকাৰ লোক নিঃসন্দেহে অষ্ট্ৰেলীয়। আদি ভূমধ্যসাগৰীয় বা ভূমধ্যসাগৰীয় প্ৰকাৰ থকাৰ কথাও সকলোৱে মানি লৈছে। এটা প্ৰকাৰক আদি নৰ্দিকৰ লগকত তুলনা কৰিব পাৰি। চতুৰ্থ প্ৰকাৰটো আলপাইল আৰ্মেনীয় বুলি কোৱা হৈছে। এই শেষৰ প্ৰকাৰটো প্ৰশস্তমস্তকী। আনহাতে, বাকীবোৰ দীৰ্ঘমস্তকী। গতিকে সিন্ধু উপত্যকা গঢ়াৰ বাবে অকল ভূমধ্যসাগৰীয়কে সকলোখিনি কৃতিত্ব দিয়া হয় যদিও তাত থকা অন্য প্ৰজাতিৰ লোকৰ কথাও লগতে চিন্তা কৰিব লাগিব। | </p> |
| <p> | নৃতত্ত্বৰ প্ৰাচীনপন্থীৰ দৃষ্টিকোণৰপৰা এনেদৰে কোৱা হয়। পিচে সাম্প্ৰতিক কালত অন্য এক দৃষ্টভংগীৰ পৰাও সেই নৰকংকালবোৰ বিশ্লেষণ কৰি | </p> |

| | | |
|---|---|---|
| | চাই কোৱা হৈছে যে সেইবোৰক তেনেধৰণে প্ৰজাতিগত ভাৱে শ্ৰেণীবিভাগ কৰাটো আধুনিক বিজ্ঞানসম্মনত নহয়। কিয়নো জনসমষ্টি এটাৰ মাজত তেনেধৰণৰ বৈচিত্ৰ বা বৈসাদৃশ্য থকাটো একো অস্বাভাৱিক নহয়। তাৰ ব্যাখ্যা দিবলৈ প্ৰজাতিক টানি অনাৰ কোনো প্ৰয়োজন নাই। আধুনিক বিজ্ঞানে স্বীকাৰ কৰি লোৱা বৈচিত্ৰ সৃষ্টি বা অনুবিৱৰ্তনৰ কাৰকবোৰৰ সহায়ত এনে ধৰণৰ ব্যাখ্য দিব পৰা যায়। | |
| <p> | মই কেইবাবাৰো কৈছো যে ককেচীয় প্ৰজাতিৰ লোক পশ্চিম দিশৰ পৰা আহি মোৰ ইয়াত প্ৰৱেশ কৰে। কীনৰ কথা মানিবলৈ গ'লে অন্য এটা সম্ভাৱনাৰ কথাও ভাবিব লাগিব। তেওঁৰ মতে উত্তৰপূব দিশৰ পৰাও ককেচীয় লোক মোৰ ইয়ালৈ আহিছিল। একালত এদল ককেচীয় লোক পশ্চিমৰ পৰা মংগোলীয়া আৰু চীন দেশৰ মাজেৰে জাপানত উপস্থিত হৈছিল। পিচত মংগোলীয়সকলৰ অভ্যুত্থানৰ ফলত সেইবোৰ মানুহ নিঃশেষ হৈ গ'ল। অলপ অৱশেষ ৰৈ গ'ল কিছুমান জনসমষ্টিৰ মাজত। তেনে এটা জনসমষ্টিৰ নাম আইনু। জাপানত মংগোলীয়ৰ দ্বাৰা পৰিবেষ্টিত হৈ তেওঁলোকে এতিয়াও ককেচীয় জৈৱিক বৈশিষ্ট্য সংৰক্ষণ কৰি আছে। মংগোলীয়ৰ হেঁচাত ককেচীয়ৰ সৰু দল এটাই দক্ষিণ অভিমুখে যাত্ৰা কৰি উত্তৰ পূব কোণেৰে মোৰ ইয়াত প্ৰৱেশ কৰাৰ সম্ভাৱনাৰ কাথা কীনে কৈছে। এই পথেৰে পিচত আলপাইন লোকো ইয়ালৈ আহিব পাৰে। | </p> |
| <p> | এইখিনিতে মোৰ এবিধ সন্তান কলিতাৰ বিষয়ে চমুকৈ অলপ কৈ থওঁ। কলিকাৰ উৎপত্তিৰ গুৰি সম্বন্ধে নানা মুনিৰ নানা মত। কলিতাৰ বিষয়ে সাধাৰণতে এনেধৰণে কোৱা হয়। তেওঁলোকৰ পূৰ্বপুৰুষ পশ্চিম দিশৰপৰা ভাৰতবৰ্ষত প্ৰৱেশ কৰি প্ৰথমে উত্তৰ পশ্চিমাঞ্চলত থিতাপি লয়। তাৰপৰা এটা সময়ত ইয়ালৈ আহে। আনন্দ চন্দ্ৰ আগৰৱালা, ৰজনীকান্ত বৰদলৈ আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ মতে তেওঁলোক ক্ষত্ৰিয় | </p> |

| | | |
|---|---|---|
| | বংশজাত। ক্ষত্ৰিয় বুলিলেই আৰ্য্য সংস্কৃতি, বৈদিক যুগ আদিৰ গোন্ধ পোৱা যায়। আনহাতে কালিৰাম মেধিৰ মতে তেওঁলোক প্ৰাক্-বৈদিক যুগৰ আৰ্য্য। | |
| <p> | ইন্দো-আৰ্য্যৰ আগমনে ভাৰতবৰ্ষত এটা নতুন যুগৰ সূচনা কৰে। সামাজিক, সাংস্কৃতিক আৰু প্ৰজাতীয় ইতিহাসৰ অভূতপূৰ্ব পৰিবৰ্তন হয়। তেওঁলোক ভাৰতলৈ অহাৰ আগতেই কৃষি কৰ্মত পটু আছিল, ধাতুবিদ্যাত পাৰদৰ্শী আছিল আৰু আন আন বিদ্যাও তেওঁলোকৰ আয়ত্বাধীন আছিল। তেওঁলোকৰ বহুতো পশুপালক আছিল। এইদৰে স্বকীয় আৰু লগতে আৱয়বিক লক্ষণেৰে ইন্দো-আৰ্য্য এটা স্বতন্ত্ৰ প্ৰজাতীয় গোট। তেওঁলোক তেওঁলোকৰ আগৰ একে কাকচীয় প্ৰজাতিৰ অষ্ট্ৰেলীয় আৰু ভূমধ্যসাগৰীয়ৰ পৰা পৃথক। মংগোলীয় প্ৰজাতিৰ লোকৰ লগত পাৰ্থক্য বহুত। | </p> |
| <p> | ইন্দো-আৰ্য্যৰ আৱয়বিক চৰিত্ৰৰ বৰ্ণনা অতি সাধাৰণভাৱে এনেকৈ দিব পাৰি : তেওঁলোক দৃঢ় গঠন আৰু সবল শৰীৰৰ ওখ মানুহ। আগৰ মানুহবোৰতকৈ বহুত ওখ। তেওঁলোক দীৰ্ঘমস্তকী আৰু দীৰ্ঘনাসিকী। তেওঁলোকৰ মূৰ আগৰ মানুহৰ মূৰতকৈ দীৰ্ঘতৰ। তেওঁলোকৰ গাৰ বৰণ পাতল আৰু নেত্ৰ বৰ্ণও পাতল । তেওঁলোকৰ চুলি খুব ক’লা নহয়। এইখিনিতে মনত পেলোৱা ভাল যে আগতে উল্লেখ কৰি অহা আলপাইন প্ৰশস্তমস্তকী। | </p> |
| <p> | সিন্ধু আৰু গংগা উপত্যকাত ইন্দো-আৰ্য্যৰ প্ৰাধান্য দেখা যায়। গংগা উপত্যকাত তেওঁলোক লেথাৰি নিচিগাকৈ পশ্চিম বিহাৰলৈ বিস্তাৰিত। তাৰপৰা পূবলৈ পূৰ্ব বিহাৰ, বংগ আৰু মোৰ ইয়াত তেওঁলোকৰ বিস্তাৰ বিক্ষিপ্ত। এইবোৰ অঞ্চলত বিশেষকৈ উষ্চ শ্ৰেণীৰ মানুহৰ মাজত ইন্দো-আৰ্য্য লক্ষণ বেচিকৈ চকুত পৰে। | </p> |
| <p> | ভাৰতবৰ্ষৰ ক্ষেত্ৰত যিটো সত্য, মোৰ ইয়াতো তাকেই সত্য বুলি মানি | </p> |

| | | |
|---|---|---|
| | ল’ব লাগিব। মই ভাৰতৰ এটা ক্ষুদ্ৰ সংস্কৰণ। ভাৰতত যি সংমিশ্ৰণ ঘটিল, মোৰ ইয়াতো ঘটিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱলাই ‘অসমীয়া ডেকাৰ উক্তি’ত অসম আৰু অসমীয়া সম্বন্ধে এনে ভাবকেই প্ৰকাশ কৰিছে। মোৰ কথা মই নিজে কবিতাৰ ভাষাৰে প্ৰকাশ কৰিবলৈ অপৰাগ। তথাপি কাব্যিক সুৰত ক’বলৈ প্ৰয়াস কৰাত বাধা ক’ত? | |
| <p> | মোৰ প্ৰায় চৌদিশে পৰ্বতমালা। মোৰ বুকুৰ মাজেৰে বৈ গৈছে বিশাল ব্ৰহ্মপুত্ৰ নদ; সৃষ্টি কৰি দুকূলত বিস্তীৰ্ণ সাৰুৱা উপত্যকা। প্ৰাচীন কালতে আহিছিল মোৰ ইয়ালৈ অষ্টেলীয় লোক; এৰি গৈছে তেওঁলোকৰ উপস্থিতিৰ নিদৰ্শন। আহিছে পশ্চিমৰ পৰা ভূমধ্যসাগৰীয়, আলপাইন-আৰ্মেনীয়, ইন্দো-আৰ্য্য, ইৰাণো-চীথীয়-সকলো প্ৰতিনিধি ককেচীয় প্ৰজাতিৰ। উত্তৰ আৰু পূবৰ পৰা সময়ে সময়ে দলে দলে প্ৰৱেশ কৰিছে তিব্বত-বৰ্মী ভাষী, কৰি প্ৰতিনিধিত্ব মংগোলীয়ৰ। পিছলৈ উত্তৰ-পূব দিশৰ পৰা আহিছে টাইভাষী আহোম; আহিছে টাই ফাকে, খাময়াং, তুৰুং প্ৰভৃতি জনগোট শানৰ বংশধৰ। সকলো মিলিত হৈছে মোৰ কোলাত। গঠন কৰিছে এক সংমিশ্ৰিত জাতি, যাৰ নাম অসমীয়া। | </p> |
| <p> | সকলোৱে অকৃপণভাৱে আগবঢ়াইছে, নিজস্ব সাংস্কৃতিক বৰঙণি, সৃষ্টিকৰি এক অতুলনীয় সংস্কৃতি, যি বিশেষ বৈশিষ্ট্যৰে সুগঢ়িত, সুশোভিত। | </p> |
| <p> | বাঢ়িছে গৌৰব মোৰ মাতৃত্বৰ, সন্তানৰ সুস্থ পৰিপুষ্টিত। শ্ৰীবৃদ্ধি হৈছে মোৰ, মোৰ সন্তানৰ, মোৰ সংস্কৃতিৰ। | </p> |
| <p> | গাৰোসকলৰ আদিপুৰুষ তিব্বতৰ পৰা অহা। দুজন দলপতিৰ অধীনত তেওঁলোকৰ দল এটাই তাৰ পৰা দক্ষিণলৈ আগবাঢ়ি গোৱালপাৰা জিলাৰ উত্তৰাংশত থকা ৰঙামাটিত উপস্থিত হয়। তাৰপৰা তেওঁলোক ধুবুৰীত উপনীত হয়। সেই সময়ৰ তাৰ স্থানীয় ৰজাই তেওঁলোকৰ প্ৰতি প্ৰথমে বন্ধুত্বপূৰ্ণ ব্যৱহাৰ কৰিছিল যদিও তাত স্থায়ীভাৱে থকাটো ৰজাই বিচৰা নাছিল। সেইবাবে তেওঁলোক মানাহ নদীৰ পাৰলৈ যায়। পিছত | </p> |

| | | |
|---|---|---|
| | যোগীঘোপাত ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ দক্ষিণ পাৰত উপস্থিত হয়। তাৰপৰা তেওঁলোক বকো অঞ্চললৈ আহে আৰু পিছত অন্য ঠাইত বিয়পি পৰে। এইসকল লোকেই পিছত গাৰো নামে পৰিচিত হয়। | |
| <p> | গাৰোসকলৰ মাজত এতিয়াও সংৰক্ষিত হৈ থকা কিছুমান সাংস্কৃতিক উপাদানে তেওঁলোক তিব্বতৰ পৰা অহাৰ ইংগিত দিয়ে। তিব্বতত য়াক নামৰ জন্তু এটা আছে। এইবিধ জন্তু গাৰোপাহাৰত নাই। তথাপি তেওঁলোকৰ পুৰণি কাহিনীত এই জন্তুটোৱে এক বিশেষ স্থান অধিকাৰ কৰি আছে। তিব্বতত ব্যৱহৃত হোৱা গং নামৰ বাদ্য যন্ত্ৰ এতিয়াও কোনো কোনো গাৰোৰ ঘৰত দেখিবলৈ পোৱা যায়। | </p> |
| <p> | ইয়াৰ কিছুমান মংগোলীয় জনগোটৰ কণামাকৰি প্ৰধানকৈ শুকান। উদাহৰণ হিচাবে আহোম, মিছিং, কছাৰী আদিৰ নাম ল’ব পাৰি। আহোমৰ মাজত শতকৰা ৮৫ ভাগ, মিছিংৰ মাজতক প্ৰায় ৮৪ ভাগ, কছাৰীৰ মাজত প্ৰায় ৬১ ভাগ মানুহৰ কণামাকৰি শুকান। আনহাতে বামুণ, কায়স্থ, কলিতা আদিৰ প্ৰায় ৭০ ভাগ লোকৰ কণামাকৰি সেমেকা। এহাতে যেনেকৈ কণামাকৰিক লৈ ককেচীয় আৰু মংগোলীয়ক দুভাগত ভগাব পাৰি, তেনেকৈ জনগোটৰ মাজত ইয়াৰ বিভিন্ন ধৰণৰ উপস্থিতিয়ে দুই প্ৰজাতিৰ মানুহৰ মাজত সংমিশ্ৰণৰো আভাষ দিয়ে। বিশেষকৈ ৰাজবংশী বা কোচ ইয়াৰ সাক্ষীস্বৰূপ। | </p> |
| <p> | এই সন্দৰ্ভত  ৰাজবংশীৰ বিষয়ে অতি সাধাৰণভাৱে হ’লেও বিচাৰ কৰি নাচালে আলোচনা আধৰুৱা হৈ ৰ’ব। কোচ আৰু ৰাজবংশী, এই শব্দ দুটা বহুতো সময়ত একে অৰ্থত ব্যৱহাৰ কৰা হয়। স্থান, কাল, পাত্ৰভেদে কেতিয়াবা বেলেগ অৰ্থতো ব্যৱহৃত নোহোৱা নহয়। যিনহওক, কোচ আৰু ৰাজবংশী একেবিধ জনসমষ্টি হয় নে নহয়, সেই বিষয়ে মতানৈক্য থাকিলেও এই শব্দ দুটা নিৰ্বিচাৰে একেটা জনগোটকে বুজাবলৈ সাধাৰণভাৱে ব্যৱহাৰ ব্যৱহাৰ কৰি অহা হৈছে। মই মোৰ এই | </p> |

| | | |
|---|---|---|
| | সন্তানসকলক কোচৰাজবংশী বুলি মাতো যদিও কেতিয়াবা অকল কোচ বা অকল ৰাজবংশী বুলিও কওঁ। | |
| <p> | কোচৰাজবংশীৰ বিষয়ে নানা মুনিৰ নানা মত। ডেল্টনে উত্তৰ বংগৰ কোচসকলৰ আৱয়বিক চৰিত্ৰলৈ লক্ষ্য ৰাখি তেওঁলোক দ্ৰাবিড় (ইন্দো-দ্ৰাবিড়) গোটৰ বুলি কৈছে আৰু লগতে ভূঞা সকলৰ এটা শাখা হ'ব পৰাৰ সম্ভাৱনাৰ প্ৰতিও ইংগিত দিছে। | </p> |
| <p> | যোৱা প্ৰায় দুই দশক ধৰি মোৰ চকুত টোপনি নাই। এটা দুঃচিন্তাই মোক জুৰুলা কৰিছে। ভাবি চিন্তি একো পাৰ নোপোৱা হৈছো। মোৰ শংকা হৈছে, বোধকৰো মই শীঘ্ৰেই নোহোৱা হে যাম। মোৰ কোনো অস্তিত্‌তই নাথাকিব। মই নাথাকিলে মোৰ সন্তানবোৰৰ কি হ'ব? কোনে সিহঁতক চাব? মোৰ অবিহনে সিহঁতৰ পৰিচয়েই বা কি? লোকৰ আশ্ৰয়ত নিজৰ বৈশিষ্ট্য বজাই ৰাখি কিমান দিননো বৰ্তি থাকিব পাৰিব? | </p> |
| <p> | মৃত্যুৰ কথা ভাবিলে হতাশাই মোক আগুৰি ধৰে। এই দুৰ্ঘটনাৰ পৰা পৰিত্ৰাণ পোৱাৰ কোনো উপায় নেদেখো। কেতিয়াবা ভাবো মোৰ সন্তানবোৰ ইমান অলায়ক নে যে নিজৰ মাতৃৰ ৰক্ষণাবেক্ষণ কৰিব নোৱাৰিব। মইনো এনে সন্তানহে জন্ম দিলো নে? সিহঁতক তুলি তালি ডাঙৰ দীঘল কৰোতে কিবা ভুল কৰিলো নেকি? মোৰ শিক্ষাদান পদ্ধতিত ক'ৰবাত আসোঁৱাহ থাকি গ'ল নেকি? নানান প্ৰশ্নই জুমুৰি দি ধৰিছে। একোৰে কোনো সদুত্তৰ পোৱা নাই। | </p> |
| <p> | কেতিয়াবা কোনো সন্তানে হাতত পুষ্পাৰ্ঘ্য লৈ মোৰ বেদীৰ ওচৰ চাপিলে মনটো আনন্দত উল্লাসিত হৈ পৰে। ভাবো এয়ে মোৰ উপযুক্ত সন্তান। এৱেঁই মোক ৰক্ষা কৰিব। মাতৃত্বৰ গৰ্বত বুকু ওফন্দি উঠে। | </p> |
| <p> | এই অনুপ্ৰৱেশকাৰী মানুহবোৰ তেতিয়াৰ পূৰ্ববংগৰ (পিচত পূব পাকিস্তান আৰু এতিয়াৰ বাংলাদেশ) পৰা আহিছিল। এই শতিকাৰ আৰম্ভণিৰপৰাই আহিবলৈ আৰম্ভ কৰিছিল। মোৰ বুকুত থকা শষ্য শ্যামলা উৰ্বৰ ভূমিয়ে | </p> |

| | | |
|---|---|---|
| | সিহঁতক আকৰ্ষণ কৰিছিল। সামান্য পৰিশ্ৰম কৰিয়েই সিহঁতে মোৰ বুকুৰপৰা সোণ বুটলিব পাৰিছিল। প্ৰথমে গোৱালপাৰা জিলাৰ চৰ আৰু সংৰক্ষিত বনাঞ্চলত বসতি পাতিলে। তাৰপিচত লাহে লাহে সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাতে সিহঁত বিয়পি পৰিল। | |
| <p> | মই আগতেই কৈ আহিছো, এওঁলোকৰ বহুতকেই মই নিজৰ সন্তান বুলি গ্ৰহণ কৰিছো। কোনো কোনোৱে এওঁলোকক ন-অসমীয়া নাম দিব খোজে। কিন্তু মোক মাতৃ বুলি গ্ৰহণ কৰিলে মোৰ বাবে কোনোৱেই নতুন বা পুৰণি নহয়। মোৰ সকলো সন্তানকেই মই অসমীয়া বুলি মাতিম। | </p> |
| <p> | ১৯৪৭ চন। ভাৰতবৰ্ষ দ্বিখণ্ডিত হ'ল। লগতে ভাৰতে স্বাধীনতা লাভ কৰিলে। লগে লগে পূব পাকিস্তানৰপৰা ভগনীয়াৰ সোঁত মোৰ কোলালৈ ব'বলৈ ধৰিলে। সেই ভগনীয়াবোৰ হিন্দু। মুছলমানৰ দেশ পাকিস্তানত থাকিবলৈ সাহ নকৰি বা নিবিচাৰি সিহঁত দলে দলে মোৰ ইয়ালৈ খোজ ললে। প্ৰথমে ঠায়ে ঠায়ে অস্থায়ী শিবিৰ পাতি সিহঁতক ৰখা হ'ল। পিচত স্থায়ীভাৱে থাকিবলৈ ব্যৱস্থা কৰি দিয়া হ'ল। মোৰ ভোদা অসমীয়া সন্তান সকলে সিহঁতে যি বিচাৰে অকৃপণভাৱে দুহাতে তাকেই দিবলৈ আৰম্ভ কৰি নিজৰ মহানুভৱতাৰ পৰিচয় দিলে, নিজলৈ কি থাকিল সেইটো বিচাৰ কৰাৰ কথা নাভাবিলে। নহ'লে যে মোৰ সন্তানসকলক ভাৰতৰ অন্য প্ৰান্তৰ মানুহে সংকীৰ্ণমনা বুলি ক'ব। হোজা অসমীয়াই বুজি নাপালে নিজৰ ভৰিত নিজেই কুঠাৰ মাৰিছে। | </p> |
| <p> | বোৰ সন্তান একেলগে থাকি সুখে সন্তোষে বাস কৰিব পাৰিব। এৰা-ধৰাৰ মাজেৰে সুখ দুখৰ সমভোগী হ'ব পাৰিলেহে সকলোৱে সমৃদ্ধি লাভ কৰিব। মোৰ সকলো সন্তান জনাবুজা। এইবোৰ কথা তেওঁলোকে ভাবি নাচায় কিয় বাৰু? ইজন সিজনৰপৰা বেলেগ বেলেগ হৈ গ'লে | </p> |

| | | |
|---|---|---|
| | প্ৰত্যেকজনেই দুৰ্বল হৈ পৰিব। | |
| <p> | এনে অৱস্থাত কোন মাতৃয়ে বাৰু শান্তিৰে থাকিব পাৰে? ময়ো পৰা নাই। ভগবানৰ ওচৰত খাটিছো, মোৰ সন্তানসকলক নিজক বুজিবলৈ, নিজৰ আপদ-বিপদ সম্বন্ধে সজাগ হৈ আত্মৰক্ষা কৰাৰ শিক্ষা দিয়ক। নহলে ময়ো নাথাকিম, সিহঁতো নিঃচিহ্ন হৈ যাব। প্ৰভু! এই বিপদৰপৰা মোক উদ্ধাৰ কৰা! | </p> |
| <p> | একমাত্ৰ ভগবানৰ ওপৰতে সকলোথিনি এৰি দি হাত সাৱটি বহি থাকিলে নহ'ব। পৰামুখাপেক্ষী হৈ নাথাকি আত্মবলেৰে বলীয়ান হৈ নিজৰ ভবিষ্যত নিজেই সুৰক্ষিত কৰিব লাগিব। সেয়ে মোৰ মৰমৰ সন্তানসকলৰ প্ৰতি মোৰ আহ্বান- তোমালোক জাগ্ৰত হোৱা, সতৰ্ক হোৱা। নিজৰ অতীত ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল হোৱা। সকলো প্ৰকাৰৰ সংকীৰ্ণতাৰ পৰা নিজক মুক্ত কৰি ন ন ভাৱচিন্তাৰে উদ্বুদ্ধ হৈ প্ৰগতিৰ পথত আগুৱাই যোৱা। বৰ্তমানৰ ভয়াবহ সংকটৰপৰা নিজকে বচোৱা আৰু মোকো জীয়াই থাকিবলৈ দিয়া। | </p> |

</body></text></Doc>